**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-02-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ চাহ শ্ৰমিকসকলক ১৩ মাৰ্চৰ পৰা ভূমি পট্টা বিতৰণ কৰাৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত কেইবাখনো আঁচনি উদ্বোধনৰ পাছত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে আজি এই শ্ৰমিকসকলক গৃহ প্ৰদানৰ বাবেও অনুমোদন জনাইছে। চাহ শ্ৰমিকসকলৰ সৰ্বাংগীন উন্নয়ন আৰু কল্যাণৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

-বাইট-

০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এটা অনুষ্ঠানত কৃষি আৰু গ্ৰামোন্নয়ন বিভাগৰ কেইবাখনো আঁচনি উদ্বোধন কৰে। মন্ত্ৰীগৰাকীৰ উপস্থিতিত কৃষি বিভাগৰ অধীনৰ মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ জৰিয়তে ৫০০ কৃষক উৎপাদক সংস্থা আৰু কৃষক উৎপাদক কোম্পানীলৈ ১৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা হয়। তদুপৰি, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আৰু সমবেশী জীৱিকা অভিযানৰ অধীনত ১২০ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ ১ লাখ হিতাধিকাৰীৰ আনুষ্ঠানিক গৃহ প্ৰৱেশ তথা কৃষি সাৰথি ডিজিটেল এপ মুকলি কৰা হয়।

এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত এহেজাৰ ৮১৯ কোটি ৯১ লাখ টকা আবণ্টন দিয়ে। এই ধনৰ জৰিয়তে এহেজাৰ ৫২২ কিলোমিটাৰ পথ আৰু ৬২খন দলং নিৰ্মাণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে। কৃষি মন্ত্ৰী শ্ৰীচৌহানে কাইলৈ মাজুলী জিলা ভ্ৰমণ কৰিব।

০০০০০

অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ চন্দ্ৰ দাসক অধ্যক্ষ হিচাপে লৈ অষ্টম অসম দৰমহা আয়োগ গঠনৰ বাবে আজি আনুষ্ঠানিক অধিসূচনা জাৰি কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই জাৰি কৰা এই অধিসূচনা অনুসৰি, ৮ জনীয়া এই দৰমহা আয়োগত অসম চৰকাৰৰ কৰ্মচাৰী প্ৰশাসন বিভাগ, প্ৰশাসনীয় সংস্কাৰ বিভাগ, বিত্ত বিভাগৰ জ্যেষ্ঠতম সচিব কেইগৰাকী, আইন বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিবগৰাকী, বিত্ত বিভাগৰ বাজেট শাখাৰ বিশেষ সঞ্চালকগৰাকী আৰু বিত্ত বিভাগৰ দৰমহা-গৱেষণা শাখাৰ

সচিবগৰাকীক আয়োগৰ পদেন সদস্য হিচাপে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাতুল মহন্তক বিশেষ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। আয়োগে সংস্কাৰমুখী আৰু সৰ্বাত্মক দৃষ্টিভংগীৰে দৰমহা গাঁথনিৰ সংশোধন কৰিব। বিত্ত বিভাগে আজি এটা বিবৃতিযোগে আয়োগ গঠন সন্দৰ্ভত অৱগত কৰিছে।

০০০০০

চৰাইদেউ জিলাৰ বৰহাটৰ কৃতী শিক্ষয়িত্ৰী, লেখিকা তথা নাট্যকাৰ বিশ্বয়ন্তী সন্দিকৈ লৈ অসম লেখিকা সংস্থাৰ ২০২৬ বৰ্ষৰ আই পদ্মপ্ৰিয়া বঁটা আগবঢ়োৱা হৈছে। অহা ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱসত বৰহাট চাহ সন্থাৰ কাৰ্যালয়ত এই বঁটা প্ৰদান কৰা হ'ব। লেখিকাসন্থাৰ সাধাৰণ সম্পাদিকা উদয়ন্তী হাজৰিকাই জনোৱা মতে, বিশ্বয়ন্তী সন্দিকৈ অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজৰ সৈতে দীৰ্ঘদিনৰ পৰা জড়িত হৈ আহিছে।

০০০০০

ডিব্ৰুগড় জিলা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সন্থাৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষকমেলা অনুষ্ঠিত হৈছে। জিলা কৃষি বিষয়াৰ কাৰ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত এই মেলা খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত বিধায়কগৰাকীয়ে চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন অভিলাসী আঁচনিৰ জৰিয়তে কৃষকসকল কেনেদৰে উপকৃত হ'ব পাৰে সেই সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা কৰে।

ইফালে ওদালগুৰি জিলাতো কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সন্থাৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে কৃষকমেলাৰ আয়োজন কৰা হৈছে। বিটিচি উপ প্ৰধান তথা কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰীয়ে আজি এই মেলাৰ উদ্বোধন কৰে।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চুপাৰ এইট পৰ্যায়ৰ এখন খেলত আজি ৱেষ্ট ইণ্ডিজে-জিম্বাব'ৱেক জয়ৰ বাবে ২৫৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি জিম্বাব'ৱেই প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। ৱেষ্ট ইণ্ডিজৰ হৈ চিমৰন হেটমেয়াৰে ৩৪ টা বলত সৰ্বাধিক ৮৪ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত জিম্বাব'ৱে বাতৰি যুগুতোৱাৰ পৰলৈকে ২ অভাৰ ৪ টা বলত ৩ টা উইকেট হেৰুৱাই ২০ ৰান সংগ্ৰহ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ